

চুপহি।

শ্ৰীকেশবকান্ত বৰুৱা।

স্বদীয়া।

পাতনি

আমি ৰাইজৰ আগত আমাৰ এই ক্ষুদ্ৰ "চুপহি"টি দাঙ্গি ধৰিলোঁ। "চুপহি"ৰ গুণাগুণ বিচাৰৰ ভাৰ গুণগ্ৰাহী ৰাইজৰ হাত; কৰ্ম্মতহে আমাৰ অধিকাৰ আছে তাৰ পৰিণামত আমাৰ একো হাত নাই।

লিখকৰ "চুপহি" প্ৰথম উদ্যমৰ ফল। গতিকে, তাত অনেক খুঁত্ ৰৈ যাব পাৰে। গুণগ্ৰাহী পাঠকসকলে উৎসাহ দিলে "চুপহি" সময়ত ফুলি উঠিব আৰু আমাকো এনেবিধৰ হাতত-লোৱাকাম পূৰাই কৰিবলৈ মন ভুলি দিব। ইতি

সদিয়া,
৯-৬-১১। } শ্ৰীকেশৱকান্ত বৰুৱা।

আৰম্ভণ।

বীণাপানি আই
দিবা মোৰ বাই
লিখিম লিখন
শকতি বিহন
অভাজনময়
মনত চিন্তৰ
নাই বিদ্যা বল
কৰাহে সবল
মন ভাব বলে
চৰণ কমলে
ভৰসা ভাৰতি
দেবী সৰস্বতী
কবি কুল মণি
সুৰ গুৰু জিনি

ভব ভাৰতত

জনমিলে য'তে

বাল্মিকী ভাৰ্গৱ

উশ জয়দেৱ

হৰ্ষ কালিদাস

ভবভূতি ব্যাস

আদি জ্ঞান-গুৰু

সতি সু-লেখক

হইবা সদয়

দিবাহে আশ্ৰয়





জয়মতী-কুঁৱৰী।

সতীৰ সতীত্ব যেন, দক্ষৰ জিয়াৰী
অপৰূপ পতি প্ৰেমে হই বিমোহিত
দেখালা আপোন কীৰ্ত্তি মানৱ ভিতৰি
জীৱনক তুচ্ছ কৰি উঠিছে পিঙ্গত।
শুধিলে যেতিয়া দেবি দুৰ্ম্মতি ৰজাই
"যদি প্ৰাণে আশ তোৰ কোৱাহে সুগুপুত
ক'ত তোৰ গদাপাণি এতিয়া আছয়
কৰহে বেকত ইটো মোৰ সন্মুখত।
এনেকৈ উত্তৰ তুমি নিদিলা ৰজাক
এই আচৰণে তব, উপায় নেপাই
চাণ্ডদাঙ্গে মাতি আনি সপিলে তোমাক
কথা উলিয়াব ছলে, তেখনে ৰজাই।

বজ্রৰ সদৃশ হিয়া নাই মায়া লেশ
যমৰ টেকেলা যেন চাওদাঙ্গে পাই
ৰজাৰ সমুখ হন্তে আনি আঁতৰাই
কৰিলে নথৈ শাস্তি অর্পি বহু ক্লেশ।
তোমাৰ মুখৰ পৰা গদাপাণি ক'ত
জানিবৰ অর্থে সিটো নিঠুৰ হৃদয়ে
মেলিলে তোমাৰ গাত ডুমুনী চোৰাত
বান্দৰ কেকোৰা আদি তুমি অসহায়ে।
ঈশত একানচিত, হীন—বাহ্য—জ্ঞান
সমাধি অবস্থাগত, যোগীবৰ যেনে
পতিপ্ৰাণা পতি গতি পতি মাত্ৰ ধ্যান
সহিলা সকলো শাস্তি আশঙ্কিত মনে।
পতিব্রতা তেজ তুমি দেখালা ভীষণ
দুর্ব্বলা নাৰীৰ কত ধৈৰয শকতি,
যদিও স্বভাৱে অতি কোমলা প্রকৃতি,
বলে বীৰ-সঙ্গে যাৰ নহয় তুলন।
গদাপাণি কোঁৱৰৰ, ভুঙ্ খুং ফৈদৰ
পৰ্ব্বতে পাযগে যেয়ে কুৰোঁতে পলাই
পৰিল কাণত যেন ধ্বনি স্বৰগৰ
শুনি তেওঁ কুৱঁৰীৰ বিপত্তি বিলাই।
পত্নী-শাস্ত্ৰ-শেলে তেওঁ হই জৰ্জ্জৰিত
ধাউতি আহিল বেগে, সহিব নোৱাৰি
ক্ষুধা—তৃষ্ণা—পথক্লেশ, থই কাতি কৰি
বন্দীশাল জেৰেঙ্গাত, ততালিকে থিত।

চদ্ম বেশ ধৰি তেওঁ ছাপিলেহি আহি
হৃদয়-স্যমন্ত-মণি কাষে স্বভাৰ্য্যাৰ
আত্ম পৰিচয় নিদি সোধে কেবাবাৰ
কিয় হে'ব আই, ভুঞ্জিছ যন্ত্ৰণা দেহি।
ক'ত আছে গিৰিহঁত কই দে অ'—আই!
নেখাবি দুৰন্ত শাস্তি ইহেন দুৰ্ঘোৰ,
নোৱাৰে সহিব হে'ব পণিকো পথৰ
খ'ওব সকলো কষ্ট, নহ'ব দুনাই।"
নবাৰি অলপো কাণ ইষাৰ কথাত
উ[illegible]দেশ ছলে যিটো জনালে গোহাৰি,
[illegible]ক'ৰিলে তেওঁ ফালে কটাক্ষৰো পাত,
'[illegible]'ও মনে স্বামী প্ৰভু জগতৰি।
[illegible]ৰ আহি তেওঁ কলেহি উনাই
দগ্ধ শাস্তি দেখি, মন শাঁতিব নোৱাৰি
আপোনাৰ অৰ্দ্ধাঙ্গীক, সম্বোধি বেচাই
কই দে অ'—আই তই স্বামাৰ বাৰ্ত্তাৰি।"
চিনি পাই এইবাৰ, স্বামী দেৱতাক,
যি জনৰ হতে তেওঁ, যন্ত্ৰণা সহিছে
সহিছে নকৰি কাণ অলপো মনত
নিজে ধৰা দিয়ে ভাবি লগালে মাতক।
"কোনেনো মাতিছে চেৰা তোমাক ইথানে
গুচিবা নোযোৱা কিয় ইথানৰ পৰা
গৃহস্থৰ কথা মই নকওঁ জীৱনে
ইসৱ কথাত যেন মোকে ক্ষমা কৰা

হিয়াৰ কাতৰ ভাৱ কথাৰে দেখুৱাঁ
জানি তেওঁ আগমনে দুখ কৰি মনে
গ্ৰহ-তৰা-চন্দ্ৰ-সূৰ্য্য উদ্দেশি পৱনে
প্ৰণতি জনায় কয়, যেন সাক্ষী ৰোৱা।
শোকৰ উচ্ছাসে দেৱে কণ্ঠ ৰুদ্ধ হই
একোকে নকই আৰু, উভতি চলিল
মনে ভাবি ইটো জীৱ, মোৰ হস্তে হায়
মৰণ নিচয় বিধি, কিনো যে কপাল।
পাতিক পঠাই পাছে থাকি কতো দিন
শাস্তি খাই এই দৰে পতি পদ ভাবি
ইহলীলা সাঙ্গকৰি, কৰিলে গমন
অক্ষয় স্বৰগে, যত সতী সাধ্বী দেবী।
ধন্য দেবি ধন্য তুমি তব কিৰ্ত্তী গুণে
ৰবিছে সতত নাম পৃথিবী ভিতৰে
শাস্তি যন্ত্ৰণাৰ ঠাই তোমাৰ কাৰণে
হলহে পৱিত্ৰ আজি দেৱ মন্দিৰে।
গৰুৱা পৰুৱা হেৰা আদি যত জন
তব নাম ধৰি সৱে, সোঁৱৰে তোমাক
যিটো ভৰি দুটি আহি কৰিছে অৰ্পণ
জয় সাগৰৰ পাৰে, পাহৰে সবাক।
কতনো মানুহ গই, পুখুৰী পাৰত
জুৰাই শৰীৰ ভৰা পথৰ ভাগৰে
বহি জয়স্তম্ভ কাষে মনৰ সাধেৰে
কতোবা বৰৰ তলে শীতল চাইত॥

তৃষিত পৰাণ কোনো হই উপস্থিত
অঁজলি অঁাজলি কৰি পিয়ে হাবিয়াসে
[illegible]াৰ কৰাণে হেৰা আজি অনায়াসে
অমিয় মধুৰ পানী, দেৱৰ বাঞ্ছিত।
[illegible] ভাবুক আহি বহি ইথানত
ভাবিছে কতনে কথা মনে গুণি গুণি
[illegible] সি জানে এই পুখুৰী সুৰনী
[illegible] নাতি [illegible] কানৰ [illegible]।
[illegible] ৰজা [illegible] কলে [illegible] ছয়েক
[illegible] বংশ কালে এবে নিৰ্ম্মূল কৰিলে
হায় বিধি একোজন, নেথাকিল কুলে
[illegible]নো নিচয় কাল, সবাৰো নাশক।
আজি আছে ৰাজপাট, কালি ভিক্ষা মাগে
দণ্ডিত সিজন আজি যিটো হৰ্ত্তা কৰ্ত্তা
[illegible] পালিত যিটো, যিটো অন্নদাতা
[illegible] গছ বৰে [illegible] নেজানো সমূলি।
জৰ ই [illegible] কোনো বহি বৰতলে
ভাবে তুমি হেৰা দেখি কৰিছ আজিও
পৰাহত অকাতৰে, সাবিলা সিকালে
যেনে আত্ম প্ৰাণ দিও জীৱন এৰিও।
মৰিলা যদিও তুমি, তোমাৰ কাষত
গুচায় বিষাদ তাপ, তোমাৰ দৰ্শনে
পতি-পত্নী বিযোগৰ মনৰ দুখত
স্বভাৱে লঘুতা পায় বিৰহীয়ে যেনে।

চুপহি।

কোনোবা তৃপতি লভে একেখিৰে চাহ
পদুম ফুলোৰে ভৰ, পুখুৰীৰ শোভা
ৰিব ৰিব কৰি বায়ু পাতক লৰাই
[illegible]লিছে তেউতি অতি কাৰ মনলোভা
ৰ [illegible]ছনা কতভাব কল্পনা পথিৰ
উ[illegible]ৰ মনত আহি একে এ[illegible]ক কৰি
ম ৰ [illegible]ায কমে কমে পানীৰ লহাৰ
হ টি [illegible]ৰে সিটি লেনে ঘুৰলি পানীৰ।
[illegible]ৰা [illegible]টিনা [illegible] [illegible] ৰা ভিতৰি
[illegible] ছ [illegible] আদি কৰি জলচৰ [illegible]
[illegible]ন্দ [illegible]নেৰে অ[illegible]ত বাৰ [illegible]ৰি
[illegible] ৰি [illegible] ই পানী সদা সৰ্ব্বক্ষণে।
পা[illegible] চাৰিছে তাৰ গৰু ম হ আদি
[illegible] ৰ [illegible]ৰে [illegible]া ছেৰি কৰি
[illegible] ৰে ভি[illegible] আনন্দ সবাৰি
[illegible] দুখৰ বিষ ধি।
[illegible]ন্মল ফটিক ধ ৰ, পানীৰ মাজত
দে[illegible] ৰাজহংস অতি শোভয় পথৰা
[illegible]ৰ দিষা সৰোবৰ যেন মানসত
মনৰ [illegible]চ্ছাৰে তাত ফুৰয সাঁতুৰি।
পদ্[illegible]নী কমুদিনী কাষে পুষ্কৰণী
চৰিছে অ[illegible]নেথ পখী মাজে ঠাই ঠাই
দল ম'ৰা যিনা হাঁহ শৰালি চাক'ই
দাউক দৰিক কৌৰা আৰু কৰচনি।

ইফালে গছত বহি কঁতিয়া কপৌৱে
নিজন সকলো যেৱে তুপৰ ছেগত
ঘনে ডিঙ্গি ওফোন্দাই, কেনে ৰূল দিয়ে
সুৰলা অফুট মাতে মোহিয়া জগত।
অতিবা নিৰ্জ্জন দেখি কোনোবা গিৱানি
পশ্চিম পাৰত গই গোঁসানী ঘৰত
বহি ইষ্ট গুৰু চিন্তি, হইহে সংযত
আনচিন্তা পৰিহৰি ভাবে চিন্তামনি।
ছেদ ভেদ নোহোৱাকৈ, সিঁচি শান্তি পানী
যেয়ে আহি থিত লয় ইয়াৰ পাৰত
সকলোকে সমভাৱে শাঁতিছে পৰাণী
মনৰ তাপক ছেদি দগ্ধকায় যাত।
কোৱা হেৰা কোৱা ভাই, কি গুণৰ গুণে
শাঁতিছে কতনোলোকে, ঠাই এই পনি
দেখিলে শিয়ঁৰি উঠা আছিল তাহানি
কাৰ পুণ্যে আজি তীৰ্থ সবাৰো গণনে।
কত লোক কত জন কত সাধু সন্ত
পৰম পবিত্ৰ ভাবি কৰেছি দৰ্শন
মনৰ বিশুদ্ধি যাতে ধৰ্ম্মৰ বৰ্দ্ধন
নোৱাৰে পীড়িব দুখে পাপ তাপ হন্তে।
পোৱাই সতীত্ব তেজ প্ৰতি শিৰে শিৰে
লগালে চমক সৱে দেখালে মহত
সতীত্ব তেজৰ বল নিৰ্ম্মলা নাৰীত
নহয় তুলনা যাৰ, ৰজাৰ বলেৰে।

মোৰাৰে কৰিব যিটো শাৰীৰিক বলে
বলবীৰ্য্য হীনো নৰ—মনৰ পিতনে
সাধয় হেনয় কায অসম্ভৱ যিটে
মানসিক বলে বলী হই ছলে-কলে।
ৰাজ পাট উঠি ৰজা ৰুদ্ৰ সিংহ দেৱে
জননীৰ সতীত্বৰ কিৰ্ত্তী চিন চলে
অতি বিতোপন এই পুখুৰী খনালে
পৰম ধাৰ্ম্মিক বৰ, উপযুক্ত পোৱে।
গছ চাই গুটি যেন পুত্ৰবৰে তুলি
ৰাখিলে চানেকী ভাল আসাম ভিতৰি
দেখালে অসম গুণ মাৱে পোৱে মিলি
পুত্ৰে ন্যায়ে প্ৰজাপালি মাৱে স্বকাৰ্য্যেৰে।



মালতী ।

থাকি একাষত— ফুলনী মাজত
দেৱতা বাৰীত গই ।
অতি বিষাদিতে কটাইছে সময়
এলাগী আপচু হই ॥
ভাবা মনে মনে কি দোষৰ গুণে
তোমাৰ ইহেন শাস্তি ।
নকৰে আদৰ নাই সম্ভাষণ
কিয় ঘৰৰ গৃহস্থী ॥
অতি দুঃখী হই হতাশ মনেৰে
শোকতে নিজাৰ পৰা ।
ভাবি মনে নাই আথ বেথ কৰো
কালে শোকৰ সৰুঁৰা ॥
কব পাৰা কিয় ইহেন অৱস্থা
তোমাৰ আজি সংসাৰে ।
কুৰি শতিকাত সভ্য জগতত
সময়ৰ লৰে চৰে ॥
স্বভাৱ সুৰলা নাই কপটতা

নেজানা ভাৰিব কাৰে ।
নিজগুণে যদি কৰা আমোদিত
তুমি সুৰভি গোন্ধেৰে ॥
তথাপি তোমাৰ নাই সিটো গুণ
যিটো গুণে আজি ভৰে ।
মোহিত সকলো ধনী মানী আদি
বাহিৰ চিকুণ ভাৰে ॥
তোমাৰ ঠাইত বহালে কতনো
নানা তৰহৰ সঁচ ।
বাহিৰ ধুনীয়া ভিতৰ ফুফোঁলা
বিলাতী ফুলৰ গছ ॥
নকৰি বিচাৰ তুলিলে কোলাত
কোলাৰটী দলিয়াই ।
কোন গুণে শ্ৰেয় পৰুৱা চাপনি
ঘৰুৱা তোমাত কই ॥
আশয় নোপোৱা বাহিৰ ধুনীয়া
কালে ডাঙৰ দীঘলে ।
ভাবে মনে মনে কত সুখ পাম
ইটো ফুলিলে ফলিলে ॥
কালে ফুলে ভৰা হ'লহি যেতিয়া
চিঙিবৰ কৰি মন ।
চুপহিক ধৰি ফুল আনো বুলি
মেলে হাত দুইখন ॥
ৰাখি যেনে হাত চুপহি ফুলত

চিঙ্গে আঙ্গুলি দুটাই।
বিন্ধে ঠেকেৰাই তেজ উলিয়াই
তোলে চমক খুৱাই ॥
নেজানো একোকে পোহন ব্যৱহাৰ
শৰীৰ জলাই ফুটি।
আশাত নিৰাশ ইদৰে সিটিৰ
পকুৱা সাবটী নিতি ॥
গুড়ি দেই মৰে লোক লজ্জা ভয়ে
নকৰে প্ৰকাশ ইটো।
ভাবে যদি কওঁ গহিঁবৈ সকলে
মুখৰ আগতে কতো ॥
আৰু ভাবে মনে যেনেহক ইটো
দোষ গুণ আছে যত।
গই কাতি কৰি হৈ দেখনীয়াৰ
থক ফুলনি মাজত।
এই দৰে এওঁ দেখাই আনক
কৰৰ নিমিত্তে ফুল।
পকৱা চপাই নকুৱা পেলাই
কৰি সবে বিয়াকুল ॥
নহয় সুন্দৰী মালতী চিৰীলি
ধুনীয়া ফুলনি আগে।
এই ভাবি মনে পেলাই উঘালি
ৰোপিলে পাছৰ ভাগে ॥

নকৰি মনত অলপো মুকুতি
কিয় খেদা খাই থাকে।
কি দোষ কৰিলে অভাগিনী ফুলে
দিয়ে বসতি চেচুকে ॥
একেটি মালতী গোন্ধে মলমলি
ফুলি আমোদয় দিশ।
বলাই কতনো সুগুনী মৌ-মাখি
জানে সব কত ৰস ॥
কৰয় পবিত্র তৃষিত বাটক
ক্লাটি নিজৰ গুণেৰে।
আয়ুসৰ বৃদ্ধি মনৰ মুকলি
ইটো সেবি জনে কৰে ॥
গুণ-গ্রাহী হই মৌ-মাখিৰ দৰে
বিচাৰ যুগুত সদা।
ৰাহিৰে সুন্দৰী ৰাখি কাতি কৰি
ত্যাগিবা ভিতৰ সুদা ॥



বৰ গছ।

(১)

দেখা বৰ গছ জুপি কেনে বিতোপন

ওপৰে শ্যামল ছত্ৰ তলে শীত বাত

বলি মৃদুগতি শান্তি শিচে গাত

ভাগকৰা পথিকৰ হৃদয় তাপণ

(২)

কত শত জীৱ জন্তু লইছে আশ্ৰয়

ভোক-তাপ নিবাৰণে আহি ই-কাষত

কতোবা গছৰ ডালে কতোবা তলত

আশ্ৰিত অতিথি বুলি সবে আশ্বাসয়।

(৩)

প্ৰচণ্ড মাৰ্ত্তণ্ড তেজ ধৰি শিৰোপৰি

কাৰো প্ৰতি কেতিয়াও নহয় কুণ্ঠিত

সকৰৰ সবাটিকে কৰয় মোহিত

দেখায় মহত্ব গুণ নিজধৰ মৰি।

(৪)

ধুমুহা বতাহে যাক নোৱাৰে লৰাব

হলেও তগৰ থামে সহস্ৰ ধৰনী

আছে সিটো থান জুৰি দেখিবা সঘনি
চোৱা কি গুণৰ বাবে ইহেন প্ৰভাৱ।

(৫)

মহত্ত্ব লোকৰো তুমি দেখিবা ইগুণ
আছয় ধ্ৰুৰূপ বুলি জানিবা নিশ্চয়
গুণৰ গৰিমা যাৰ সংসাৰে জানয়
সংসাৰ ক্ষেত্ৰত তেওঁ আতিসে নিপুণ।

(৬)

বালি চাহী মান বীজ হন্তে উতপতি
দেখা কিবা ভব্য গছ জুৰি আছে দিশি
লাগয় তবধ মন ইথান প্ৰবেশি
ক্ষুদ্ৰ বুলি তুচ্ছ কৰা ক্ষুদ্ৰ মনা অতি

(৭)

অতি ক্ষীণ অতি দীন বাহিৰে দেখিবা
আগ ভাগে মৃদু ভাবে হৃৎপিণ্ডে নাচয়
কাল-সোঁতে ধনাভ্যাগে সঘনে বলয়
মহাশক্তি ইটো গুণ নোৱৰা-বাধিবা।

(৮)

কৰে কাম আচৰিত নোহোৱা সুগুনা
অন্তৰে বঢ়োৱা গুণে ভাৱসাৰ দিয়া
ভুঞ্জে মহা ফল যাৰ সৰে অগণনা
পৰহিত অৰ্থ যাৰ ই-পুৰুষৰ হিয়া।



দুটী বাট।

"বিবেকী পুৰুষ তুমি সকলোৰে কয়।
সুপথ কুপথ দুটী দিয়া দেখুৱাই॥
অজ্ঞান এন্ধাৰ ভৰা নাই দিশ জ্ঞান।
গুৰু হই কৰা মোৰ তিমিৰ নাশন॥"
ললাহি শৰণ তুমি মোৰ ওচৰত।
মন পাৰি শুনা কথা তোমাৰ ঈপ্সিত॥
কাইটেৰে ভৰা অতি সংকীৰণ ঘোৰ।
সোঁহাতে যিটি বাট দেখিছা তোমাৰ॥
নোৱাৰে চলাব য'ত এখোজ ভৰিও।
আওকাণে ইটোবাটে থতেক মানও॥
প্ৰতি পদে পদে বাটে, কতনো বিঘিনি।
চাই-চিন্তি নকৰিলে, মিলয় তেখনি॥
সোঙৰ ঢুকাষে অতি গহীন কাঠনি।
সমুখত ঠায়ে ঠায়ে জোপা বিবিঙ্গানি॥
নোৱাৰি তৰ্কিব একো সমুখত কিটো।
সাপ বাঘ আদি কৰি পৰি থাকে যিটো॥
বনৰীয়া হাতী ঘোঙ কাঠনি মাজত।
নেদেখয় একোটোকে গছৰ ছাটত॥

একেই দুৰ্ঘোৰ অতি দেখিলে ভীষণ।
দুটী এটি বাদে প্ৰায় জন-প্ৰাণী শূন॥
ইটো বাটে আগুৱনি অতিসে দুৰূহ।
আগুৱাই সিটে আছে যাৰ আত্মসাহ॥
বিপদ সঙ্কুলে ভৰা ইটো পথগামী।
পাইগৈ ৰম্যস্থান সৰ্ব্ববিঘ্ন দমি॥
ইটো বাট বোলে সৱে দুৰ্গম সুপথ।
ধৰি যিটো জ্ঞানী জনে নেযায় বিপথ॥
নাই ভিনপৰ কাৰো ৰম্য ইপুৰীত।
ইটে সিটে বন্ধা য'ত প্ৰেম গাঁথনিত॥
সাবটা সাবটি কৰি ইটে সিটে মিলি।
তুলিছে আনন্দ ধ্বনি ঈশ্বৰত ভুলি।
ভক্তি-ৰসে আৰ্দ্ৰ হই কোনোৱে বা ক'ত।
বাগৰে সঘনে ভূমি বিভু প্ৰেমত॥
ক্ষুধা তৃষ্ণা সৱে মিলি পীড়িব নোৱাৰে।
ঈদৃশ অৱস্থা যেৱে হয় সকলোৰে॥
সুমধুৰ ঈশ-গান ভেদি দশো দিক।
বাটৰ লহৰী তুলি লগাই থলক॥
তৰঙ্গৰ মালা গই লগালে কাণত।
থলকি ইয়াৰ যেৱে তুলিলে মহত॥
বিজুলী সঞ্চাৰে যেন আনন্দৰ সোঁত।
বোৱাই সঘণে তোলে বাকী লোক তত॥
ৰম্য সিপুৰীৰ ফুল আতিসে ধুনীয়া।
মোহয় বাচেৰে তাৰ অতি সুগন্ধীয়া॥

বাতে বাচ লই তাৰ অতি দূৰলই।
মৌপিয়া ভোমোৰা আদি আনিছে বলাই ॥
অব্যক্ত মধুৰ বাৰে ভোমোৰা মাথিৰ।
উঠিছে সিঠান জুৰি গুণ গুণনীৰ ॥
সঁচা পদুমেৰে ভৰা হৃদি সৰোবৰে।
শ্যাম পত্ৰ বপুতলে ফুলিছে হাঁহিৰে ॥
বিনয়-সেৱালী ফুল গুণে নম্ৰ হই।
কোমল আমল ভাৱে সবাকে মোহয় ॥
মালতী-সৰলা-ফুলে ভৰা যিটো থান।
স্থিৰতা-কুমুদে বৰ্ষে আনন্দ মহান ॥
গোলাপ-বদান্য ফুলে শাঁতে স্বৰ সবে।
উত্তাপে তাপিত হিয়া দুখী সকলোৰে ॥
স্বদেশ প্ৰেমিকতা ৰাঙলী জৱাৰে।
ৰঞ্জিত কৰিছে ঠাই বিমল ৰাগেৰে ॥
চেনেহী সুবাচী ফুল দয়া সক জুতি।
দুগ চিত্তিকনীতেই পমি যায় অতি ॥
সদাই ৰঙ্গালি ফুলে চেনি চম্পা যেনে।
ধাৰা সাৰে বৰষয় সোৱাদ সঘনে ॥
গুণী-মানী কত ফুল ইয়াৰ বাহিৰে।
ফুলি জমকাই ঠাই তুষিছে সবাৰে ॥
সুফলা গছৰ লেখ আছে যে কতনো।
ইটী বাটে পথী হলে ভুঞ্জিবা আপনে ॥
যদি সোধা কোনে যাব পাৰে ইটো বাটে।
তেবে কওঁ শুনা তুমি অতি সাবহিতে ॥

যাৰ আছে আত্মবল সিটো যায় ইতে।
নকৰে অলপো আশ পৰৰ কাষতে॥
বিবেকক শুধি-পুছি ছলে যিটো সিটি।
সকবৰ যত কাম হয় উপস্থিতি॥
আত্ম প্ৰাণ সপি দিছে সত্য অৰ্থে যিটো।
বিবিধি আপদ থই কাতি কৰি যতো॥
এমুঠিয়া হই যদি সকলোৱে মিলি।
কৰয় অহিত তাৰ মিছা বাটে চলি॥
তথাপি নোৱাৰে নিব সিজনে ঘৰাই।
তিলেকও আওবাটে ক্ষন্তেক সময়॥
নকৰে অলপো ভয় ঈদৃশ পুৰুষে।
দোষ দেখা মাত্ৰ কাৰো আগতে প্ৰকাশে॥
সমাজে কৰয় যদি কাম গৰহিত।
একাকী বিৰোধী থাকি নোহে বিচলিত॥
লোকৰ গৰিহা আদি ইটো অৰ্থে তেওঁ।
যত কষ্ট হব পাৰে সহয় সবাও॥
দুঃখ শোক লাঞ্ছনাত নহয় বিহ্বল।
ঈশ্বৰক হৃদি ভাবি হোৱয় সবল॥
কাম ক্ৰোধ লোভ মোহ আদি ৰিপুগণে।
ৰাখিছে দমাই যিটো যাই সিটো জনে॥
পৰৰ শত্ৰুতা যিটো সহজে নোৱাৰে।
ঘৰৰ শত্ৰুতা যিটো খন্তেকতে কৰে॥
ছয় ৰিপু দশেন্দ্ৰিয় দমাই যি জনে।
এক ছত্ৰী ৰজা তাৰ নহয় তুলনে॥

কাম ক্রোধ লোভ মোহ বশ ৰজাদেও।
সংযমী পুৰুষে সৱে কৰে পদ জোৰ॥
বাটৰ অঘৈয়া হৈ ইটো সব ৰিপু।
নোৱাৰে ফুটিৰ কতো এনে সিদ্ধ বাপু॥
অগাধ গুণেৰে ভৰা সম ৰত্নাকৰ।
সহজে উত্তৰে বাটে ধাৰ্ম্মিক প্ৰবৰ॥
নোৱাৰে বাধিব কেৱে অশেষ শঙ্কটে।
হাত দিয়ে যিটো কাজে সাধয় বেগতে॥
পৰ দুঃখ দেখি যিটো সহিব নোৱাৰি।
উপায় উদ্ভাৱে তাৰ অতি যত্ন কৰি॥
ইটো জনে যিটো বাটে গমণ কৰয়।
নকৰে কেৰেপ যদি গাৱ ৰক্তময়॥
ঘৰুৱা প্ৰেমিক জনে প্ৰেমে মত্ত হই।
আত্ম স্বাৰ্থ আদি কৰি সবাকে ভুলয়॥
আত্ম প্ৰাণ উছৰগি জননী চৰণ।
কন্দাই ঘৰুৱা জনে কৰয় গমন॥
অন্তে সেই ৰম্যপুৰী দেৱতা দুৰ্লভ।
সতত প্ৰকাশয় যত প্ৰকৃতি বল্লভ॥
ধন্য সিটো জন অতি সংসাৰ ভিতৰে।
ধন্য মাতা তোৰে তাৰ জনমালে যাৰে॥
দেশৰ দুৰ্দ্দশা দেখি সহিব নোৱাৰি।
লোকৰ মঙ্গল অৰ্থে সদব্ৰত ধৰি॥
সাধি পাৰ্য্যমানে হিত স্বদেশ সুপুত।
ধন জন দিয়া সবে নকৰি গুপুত॥

বিদ্যাৰ মার্জ্জিত তাৰ বুদ্ধি সু-উত্তম।
সুবুদ্ধি ঘটাই যিটে কৰয় কৰম॥
সেই জনে এই পথে যায় আগুৱাই।
নিমজ জ্ঞানেৰে বাট নিমজ কৰাই॥
সিটো জনে ইটো পথে গমন কৰিছে।
অহিংসা পৰম ধৰ্ম্ম সদা আচৰিছে॥
বনৰ হিংসকে তাক দেখিয়ে এৰয়।
আপোন হিংসক ভাব হয় শাম্যময়॥
ইটো সব নৰ যেন মনুষ্যৰ বাজ।
সাধে যোগীবৰ যেনে অপূৰব কাজ॥
মুকলি বাটত তুমি নোপোৱা ইসবে।
যিটো বাটে প্ৰায় সবে যাই এই ভৱে॥
আহলে বহলে বাট চকুৰে নমনা।
সহস্ৰ সহস্ৰ লোকে আছে জনা শুনা॥
উত্তৰিছে ইটো বাটে সিটো মহাপুৰী।
উঠিছে কান্দোন যত দশোদিক জুৰি॥
কুপথ আশ্ৰয়ে ডুবে দুঃখৰ জলধি।
দুৰ্ভিক্ষ মৰক হন্তে আৰু যত ব্যাধি॥
বাটৰ মুখতে কত আছে প্ৰলোভন।
ইটো মোহে পৰি কত হেৰায় চেতন॥
আগে মধু কতো ভাগ পাছে একেবাৰে।
বাকি ভাগ সৈতে পুৰী পুৰিত বিযেৰে॥
ক্ষণিকৰ সুখ লাগি আজীৱন মানে।
নেৰাখে অলপো ভেদ জীৱন মৰণে॥

ইটো পুৰবাসী যত কৰে হাহাকাৰ।
ভুঞ্জায় উচিত ফল কাজ চাই তাৰ ॥
নোৱাৰে সাৰিব কেও কৰ্ম্ম-ফল ভাগ।
ৰজা-প্ৰজা দুষ্ট-সন্ত সবাৰো অভ্যাস ॥
সদাই উওাপ তাত নাই ছেদ-ভেদ।
শৰীৰ শতোৰাঁ বাট সবে কৰে খেদ ॥
অতি মাত্ৰ দুঃখ শোক হাত নসৰায়।
সদাই ভেদিছে হিয়া অনু শোচনায় ॥
অধিবাসী লোক যেনে ভুঞ্জে মৰুভূমে।
জ্বাৰ জহ অতিকৈ ৰাতি দিন কমে ॥
কোন স্থানে কত লোক হই বিয়াকুল।
খলকি লগাই ঠাই কন্দাই স্বকুল ॥
একেটিৰ কৰ্ম্ম দোষে হইছে যন্ত্ৰণা।
পুলি-পোখা আদি কৰি নথৈ লাঞ্চনা ॥
লভয় দুৰ্ঘোৰ শাস্তি ইটো পুৰবাসী।
যমৰ যন্ত্ৰনা দেহি নৰক চৌৰাশি ॥
পুৰীত প্ৰবেশ লাগে কপটী চলাহে।
আনিলে কুবাটে লই পেলাই হেপাহে ॥
পথৰ দৰ্শক আহি হল বৰ-বেজ।
লোভ, মোহ আদি কৰি-ধৰি উগ্ৰতেজ ॥
প্ৰলোভন দেখুৱাই কথাৰে ভুলাই।
নিলেহি বেচেৰা দেহি অবাটে চলাই ॥
প্ৰথমতে ইটো পথি গমিব নোৱাৰি।
তাঁহাতৰ মনোভাব জাল চন্দোৱাৰি ॥

হায় বিধি কি কৰিলে দয়া সুপজিলে।
নিগমে ডুবিলোঁ মই বিপাকে পেলালে॥
হাত নসৰালা প্ৰভো শত্ৰুৰ হস্তে।
থকাসৰকা হিয়া মোৰ জোঙৰ খোছনে॥
কিয় দোষো ঈশ্বৰক ইটো কাজে মোৰ।
ময়েই প্ৰকৃত দোষী দুৰ্ঘোৰ পাপৰ॥
জ্ঞান ৰূপী শিৱ তেওঁ আছে সৰ্ব্ব ঘটে।
ষড় ৰিপু বশে পৰোঁ সুগুধি সঙ্কটে॥
জ্ঞানৰ চালনে যদি চলিলোঁ সততে।
নোৱাৰিল হেঁতেন তেনে পীড়িব বেগতে॥
মোহিনী মুৰতি ধৰি মায়াবিনী যেনে।
মোহে নানা প্ৰলোভনে ষড় ৰিপুগণে॥
জীৱন পৰাণ বুলি জিতেন্দ্ৰিয় জনে।
কতনো গৰিহা আগে কৰিলো সঘনে॥
বুজিলোঁ এতিয়া মূল্য তেওঁৰ কিমান।
সহস্ৰ সহস্ৰ গুণে শ্ৰেয় সিতো জন॥
নহয় পথিক তেওঁ যিটো বাটে আমি।
হেৰালো চেতনা গই নেভাবি নগমি॥
কঠোৰ কঠুৰা মুখে দেখি অতিকই।
সুহৃহকিল এখোজো সিটো বাটে গই॥
ইটো বাটে কতোহুৰ আগুৱাই তেওঁ।
দেখায় যতই মানে সুগম সৰাও॥



পদুম আৰু পদুমনী

বৰষা ঋতুৰ অন্তে শৰত-গগণে আহি ।
মাৰিছা ভুমুকি লই লগে নগৰীয়া বাঁহি ॥
কলা ডাৱৰৰ ভাগ ক্ৰমে হল তিৰোহিত ।
আছে যি অলপ আৰু নোহে অতি সুমহত ;
জিলিকয় ইটো ভাগ ধৱলী পৰ্ব্বত যেনে ।
আকাশৰ কতো অংশ ঘনে সূৰ্য্য কিৰণে ॥
গোলাপী ৰেখাৰে ৰচা ডাৱৰৰ প্ৰান্ত ভাগ ।
শোভে যেন শুভ্ৰবস্ত্ৰ গুণা-পাৰি দিয়া আগ
নই জান খাল বিল আদি যত পুখুৰীৰ ।
ক্ৰমে জল নিৰমল যাৰ যেন ফটিকৰ ॥
বিষ্ণা-ৰাতা-পি-মৰ্দ্দন-দেৱ দেখি নীলাকাশে
হইছে উদয় যোনে প্ৰকাশি দক্ষিণ দিশে ॥
ফুলিছে কঁহুৱা হাঁহি মিৰদু বতাহে বলি ।
ঋতু-ৰাজে যেন কৰে চামৰ বাজন চলি ॥
সুগন্ধি সেৱালী ফুলি দিছেহি কাননী আহি ।
হৰ বৰ্ষা অন্ত দেখা সুখ-শৰত-চুপতী ॥
সৰোবৰ পুখুৰীত আলিৰ কাষত থকা
ঘাসে বিলে পদুমনী যেন জেউতিৰ ছক ॥

শৰত বাৰতা পাহি পদুমনী হহহাস ।।]
ফুলিছে অসংখ্য ফুল-কলো দিশ আমোলাই ॥
ৰমকি জমকি হই-পদুমনী স্বৰূপভাৱে।
আকৰ্ষি সবাৰ মন ইটো দিশি-ঘিটো চাৱে ॥
এফে শ্যাম কলেৱৰা, শুকুলা পোৱেৰে ভৰা।
কিনো শোভে সেই থলী, যেনে নীলাকাশে তৰা ॥
আনিছে বনাই কতো, মৌপিয়া ভ্ৰমৰ মাখি।
সাৰটি সাৰটি পুষ্প চুমিছে পদুম আখি ॥
প্ৰেম-আলিঙ্গন-সুখ কৰে প্ৰকাশ গুঞ্জৰি।
অস্ফুট মধুৰ ধ্বনি, উঠে ইটো ঠাই ভুৰি ॥
কিবা শোভা ধৰে ঠাই, বাতি পুৰা ছেগে ইটো।
মন প্ৰাণ হৰে এই, ৰম্যাম্বৰী দেখে যিটো ॥
মলয়াৰ বাতবয় মৃদুমন্দ গতি ধৰি।
যাৰাকে নোখোজে যেন, ইটো থান পৰিহৰি ॥
পদুম পৰাগ তুলি, নিয়ে বাতে অঙ্গ স্নানী।
পৰ-দ্ৰব্য লুটি নিজে, হোৱে লোকে মলমলি ॥
নাচিছে কোনোটী ফুল, বতাহৰ লঘুলাসে।
নানা ভঙ্গী ধৰি যেন মাতিছে সবাতে কানে ॥
"তৃপিতি কৰোৱা চিত, ভুঞ্জি মোৰ যত গুণ।
অকাতৰে খুলি দিছো হিয়াৰ ভূৰাৰ ধন ॥
সুবৰ্ণ বৰণ জিনি হৃদি মোৰ সিংহাসন।
চৌদিশে আছয় কত পীত ধৱল নিচান ॥
শ্যাম পত্ৰমনী মাজে, ৰূপে অতিকই শোভে।
ধৱলী হিমানি যেনে, টিঙে বিমল প্ৰতিভে ॥

কোনোটী বা একেঠিৰে, আছে ঠিয় হই ৰই।
সবিতা দেবৰ ধ্যানে হৃকয মুখীয়া হই॥
সংযমী নিজৰ ৰূপ নয়ণ মুদ্রিত কৰি।
যাটিছে ঈশানে কৰা মোক অভেদ্য শৰীৰী॥
নোবাৰে ভেদিব যাতে সিদ্ধিলাভ কৰোমানে।
যেবে মোৰ বিয়াপিব সিদ্ধিৰ সৌৰভ ঘ্ৰাণে॥
একেবাৰে জুৰি দিশ পদুমনী জিলিকাই।
সুধিম মাতৃৰ ঋণ মাতৃ মুখ পোহৰাই॥
পালিম কঠিন ব্ৰত সঙ্গ মুখ পৰিহৰি।
থাকিম মলিন হই সিদ্ধিৰ দিনক ধৰি॥
কোনোটী বা কোনো ঠাই শত পত্ৰ মহিগই।
আছে মাত্ৰ চকা বাকী কালে মধুৰ হোবয়॥
প্ৰস্ফুটিত কোনোটীবা তলমূৰা কৰি।
থবে যেন শ্বেত ছত্ৰ জননীৰ শিৰোপৰি॥
কোনোটীবা জলে পৰি কৰিছে বিলাপ দেহি।
"উলিয়াব নোৱাৰিলো আইৰ মুখৰ হাঁহি॥
চকুপানী বহে ঘনে, তিয়াই শৰীৰ খনি।
টোপাল লোতক জলে হিয়াৰ আভাষ জিনি॥
আৰু কোনোস্থানে দুটী নতুন পদুম-কলি।
গাবে গা লগাই কৰে ইটে সিটে কোলাকুলি॥
দেৱাঙ্গ পদুমনীৰ একান্তে নিৰত থাকি।
প্ৰেমৰ পুতলা হেন খেলে দুয়ো লুকালুকি॥
সেউজীয়া বস্ত্ৰ পিন্ধি কমলিনী পুত্ৰৱতী।
কোনোৱে সাৱটি ধৰে দেখি ৰঙ্গে মগ্ন অতি॥

কালে কুলি ডুটী ফুল মাৰৰ কমল-আঁখি।
শোকে ভাত একে ঠাই মধুৰ অমৃতে মাখি ॥
অসংখ্য কতনো আৰু ফুলন্ত পদ্মিনী মাজে।
সহস্ৰ নয়ন যেন জলে জলিছে জলাজে ॥
উপযুক্ত পুত্ৰ দেখি ধৰণী ভিতৰে ৰবি।
শোকৰ ভাৰৰ এৰি প্ৰফুল্লিত মুখ ছবি ॥
বৰষে দুগুণ তেজে মনভৰা উৎসাহেৰে।
পদ্মা সুত সুহাসিত দেখি থাকি বহুদূৰে ॥



মুকলী চৰাই।

উৰিছে কতনো পখী
বতাহত চলি চলি।
যায় যথা ইচ্ছা হয়
মনৰ সাধেৰে চলি।
নোৱাৰে বান্ধিব কোনে
নেযাবি ইদিশ প্ৰতি।
ভুবয় সকলো ঠাই
সুকমল ভাব গতি ॥

সংসাৰ বনোৱা ৰঙ্গে
চাই ইটি সিটি দেশ।
দেখিছা আজিও হেৰা
অজান কত প্ৰদেশ॥

ইটো দৰে আনন্দৰে
উলাহত নাচি নাচি।
থানে মৃদু গতি থানে
কাঁড়ৰ ছোতেৰে নাচি॥

ৰৰৰৰ কোনো ভাগে
কোনো পখী ৰাশি ৰাশি
উৰি যায় সাৰি সাৰি
সময় সোতত ভাসি॥

বিহাৰি দেশ দিগন্ত
মনৰ সাধেৰে পখী।
জনোৱা সকলে সুখী
হোৱা আমাক নিৰখি॥

নজনা স্বৰূপে একো
দুখ সুখ কাক কয়।
কাৰণ সঘনে মাতে
তোলা কিৰীলনি হাই॥

প্ৰকৃত সুখীয়া তুমি
সুখতে যপোৱা কাল।
তুমিসে মাত্ৰ অমৃয়া
সুখৰ চানেকী ভাল॥

স্বৰগৰ সুখ জিনি
পখীৰাজ্য অন্তৰীক্ষ ।
সবাতে উৎকৃষ্ট ইটো
থাকি পৃথিবীৰ কক্ষ ॥
সন্ধিয়া আকাশে চোৰাঁ
আকাশৰ তল জুৰি ।
উড়িছে চড়াই বোৰে
স্বৰাজ্য উদ্দেশ কৰি ॥
কাৰে যেন শুৰ পুৰী
মধুৰ মাতেৰে মাতি ।
ৰাতিপুৱা প্ৰফুল্লিত
ঈশ্বৰৰ স্তুতি নতি ॥





বন্ধনৰ চৰাই

হিয়া ফাটি যায় হেৰ
দেখি দুখ মোৰ তোৰ।
প্ৰাণে নসহয় আৰু
পাৰে শিকলি লোৰৰ ॥

লোহৰ বিৰিয়ে তোৰ
ঠেঙত লগোৱা গুণে।
বঙ্গা মঙ্গহ উলিয়াই
শিকলি আজোৰে ঘনে ॥

ঘাৱৰ বিষত জ্বলি
দেহি সহিব নোৱাৰি।
চকু মুৰ মুদি তুমি
থাকোতে জুপুকা মাৰি ॥

দুখতে কটোৱা দিন
সদাই দুখিত মন।
পাহৰিলা পূৰ্ব্ব সুখ
হলা যি দিনে বন্ধন ॥

হায় বিধি কোন দিনে
হাত সাবো শত্ৰুৰ।
এই মাত্ৰ সদা ভাবা
শয়ন খাবন পৰ॥
ব্যাধৰ হাতত পৰি
ডাল সঁজাত বন্ধি হৈ।
থকা দিন ধৰি তৱ
কত নথই বিলাই॥
ধীণাই শুকাই তুমি
হাৰ ছাল হলা লগা।
তেজ মাংস নাই আৰু
শিকলি বন্ধন ত্যাগা॥
উৰি যোৱা কোনোটীৰ
শুনা মাত ছিছীয়নী।
ঢুল ঢুলীয়া চকুকৈ
একটীয়া মনে গুণি॥
চকুৰ পানীৰে ভৰা
মনো দুখে মাত মৰা।
কাঠ চিতিয়াক কেওঁ
নোৱাৰে গলাব হেৰা॥
ডালতে মৰিবা তুমি
তথাপি তোমাক এৰি।
নিদিয়ে শিকলি খুলি
মুকলী মুৰীয়া কৰি॥

ৰূপে গুণে মোহ গই
তোমাৰ তেতিয়া দেখি
পাতিলে জুটিব চিপ্
নেদেখয় যাতে পখী।
পৰিলা চিপত যেৱে
লোভৰ মুৰত গই।
ভৰালে সজাত বেগে
ভাবি পাছে উৰি যায়॥
লোভৰ মুৰতে তুমি
হেৰুৱালা চিৰ সুখ।
মুকলী মুৰীয়া ভাব
ভুঞ্জা পৰাধীণ দুখ॥



ৰাম-ধনু।

(১)

জ্বলিছে জলদ মাজে ৰাম-ধনু খনি
উত্তৰ-দক্ষিণা হুই চন্দ্র কলা যেনে
দশোদিশ পৰকাশি বিবিধ কীৰণে
ৰাচিছে বিবিধ ৰঙ্গে প্ৰকৃতি লিখনি

(২)

সাধ্যকাৰ বৰ্ণিবৰ পৃথিৱী ভিতৰে
যি যি বৰণেৰে ইটো হইছে চিত্ৰিত
আচৰিত খনিকৰে বিচিত্ৰ ৰঙ্গেৰে
নোৱাৰে আকিব এনে লিখনি আগত

(৩)

সাতোৰঙ্গ সপ্তাশ্বৰ শোভিছে তথিত
সেউজীয়া সুমথিৰা বেঙ্গেনা বুলীয়া
কলা নীলা ৰৱনীয়া ৰঙ্গা হালধীয়া
কেনে চিকিমিকি কৰে ডাৱৰ বুকত

(৪)

সুকযব জিলিকনি গছব আগত
মেলি ঠেক দীঘলীয়া ধৰিছে আবৰি
সোনালী বৰণ ঢাকি থাকি একাষত
আশ্বাসে পৰাণী গলে গই অস্তগিৰি

(৫)

নহবা বিমনা হেৰা যত জীৱগণ
বতৰ কোদোৱা শুণে থাকি নিকৎসাহে
মনত লগোৱা বজ মোৰ নিৰীক্ষণে
দেখি আৰু ৰাম-ধনু মনৰ হেপাহে




চাতকী।

পানী পিঔ পিঔ বুলি মাতিছা সঘনে।
ঘনে আহা প্ৰভু বুলি ঘন বৰিষণে॥
এতিয়াও জুৰ হেৰ ডাৱৰ গগনে।
নোৱাৰে আহিব কাষে, বিধি অবিহনে॥
মিছাতে আজলী দেহি আৰু নিচিঞৰ।
প্ৰাণ ফাটি যায় দেখি বিলাই তোহোৰ॥

চাতকী।

চাতকী পৰাণ যায় পানী পিয়াহত।
অতি নিদাৰুণ হায় কালৰ সোঁতত॥
খাল বিল নই আদি জলাশয় যত।
ইসবৰ জল তোৰ নহয় প্ৰাৰ্থিত॥
পিয়াহে পৰাণ যক তেওঁ তুমি মনে।
নিচিন্তাহে পৰটাই তৃষ্ণা নিবাৰণে॥
উৰ্দ্ধমুখে মনোবাসে কৰিছা আৰাও।
জলদাম্বু পাবলই মাতিছা নিতউ॥
নিছলীয়া ব'দে পৰি মৰিবা বহুত।
অথিৰ পৰাণ পৰি জুনাই কষ্টত॥
আহিব ভাদৰ বলি সময় সোঁতত।
কান্দোন উপেক্ষা এবে তোমাৰ যুগুত॥





বসন্ত কাল।

আহিছা বসন তুমি দলবল হই।
প্ৰকৃতিৰ ৰূপ দেখি হৃদি পমি গই ॥
তোমাৰ আগম শুনি হাঁহিছে মিচিকি।
গোটাই বাঙ্গলি হই, মাৰিছে ভুমুকি ॥
তোমাৰ আশ্বাসে এৰে পৰিহৰি শোক।
মুকলি মুৰীয়া হই মোহিছে সবাক ॥
প্ৰকৃতি জেউতি দেখি সবে উত্ৰাৱল।
ভুলি যায় আন চিন্তা যতই প্ৰৱল ॥
আগে আগে চলি যায় এটা দূত উৰি।
প্ৰথমে জনায় জনে, হেও-থক কৰি ॥
আনন্দে বিভোল হই গছলতা পখী।
সকলোৱে সুখী হয় তব মুখ দেখি ॥
নাই ভয় নাই আৰু আমা সবাকাৰ।
আহিল বসন্তদেৱ পালনে প্ৰজাৰ ॥
কোনো নোহে বিষাদিত এওঁৰ ৰাজত্বে।
নাই লেষ মাত্ৰ কাৰো দুখ ব্যথা চিত্তে ॥
লাহে লাহে কত ফুল ফুলিছে সুৱনী।
ৰমকী জমকী হই যুৱতী মোহিনী ॥

এইহেতু কাৰণ বোলে তবাগম কাল।
মধুময় মধুমাস অমিয়া সকল॥
ফুলিছে বাঙ্গলি হই বক ও কিংশুক।
মন্দাৰ কাঞ্চন ফুল শিমলু অশোক॥
পৰিছে কতনো পখী গছৰ ডালত।
কৰিছে আৰাও সৰে মনৰ ৰঙ্গত॥
ক্ষণে উৰে ক্ষণে পৰে মউ চুহি চুহি।
ইটো ডাল এৰি গই সিটো ডালে বহি॥
বালিৰ হুঁতত পৰি মনৰ সাধেৰে।
ধুইছে কোটালি কাকে কোৰা শবদেৰে॥
আহঁত গছত পৰি কুলি্‌টাৰে কেনে।
মুহিছে সুৰলা মাতে মন সব জনে॥
গছৰ তলত বহি সো মাসুহটীয়ে।
পথ ক্লেশ দুৰ কৰে, ইটোকালে চায়ে॥
বাটৰ দাঁতিত চোৰা নাহৰ গছেৰে।
শোভিছে কিৰূপে পথ প্ৰকৃতি মন্দিৰে॥
যথাৰ্থ পূজিব পাৰি ইটো মন্দিৰত।
ভক্তিভাৱে ঈশ্বৰক ধিয়াই মনত॥
আন ফুল তুলি আৰু নেলাগে আনিব।
হাতত পাওঁতে ফুল কিয় অন্বেষিব॥
সুগন্ধী বসন্ত জাই ফুলিছে পাৰলী।
মাধৱী মালতী বনে গন্ধে মলমলী॥
পৰিছে নথই আহি ভোমোৰা মৌমাখি।
নানা ৰঙ্গী নানা ভাষী মৌপিয়া পখী॥

তলমুৰা হই কোনো ভক্তিভৰে
নমে হালি-জালি গাত্ৰে ॥
মাতিছে সম্বোধি নোক ভোলা বুলি
আহি মোৰ ওচৰলৈ।
আঁজলি ভৰাই দুই হাত জুৰি
প্ৰভু পদে ঢালিবলৈ ॥
চোৰাঁছোন সবে প্ৰকৃতিৰ ৰাজ্য
হোৱে ব্যস্ত বিভুপ্ৰেমে।
তেনে কেনে নৰ নোহোৱা চিন্তিত
ঈশ্বৰ পূজন ক্ৰমে ॥
উঠি প্ৰাতসতে শৌচাচাৰ কৰি
পূত-কায় মনা হই।
চিন্তিবা প্ৰভুক পাইবা আনন্দ
যাৰ পৰে সুখ নাই ॥



কুণ্ডিল ।

কোৱাকে দেখি কুণ্ডিল কুণ্ডিল বাতৰি ।
ৰুক্মিণীৰ জন্ম ভূমি ভীষ্মক নগৰী ॥
পাদ ধৌত যাৰ জলে আছে কত দূৰে ।
ধৰি আছা নাম তাৰ পৰা অতি জৰে ॥
বহাগো কি লাগি হায় গহীন কাঠনি ।
বিয়াপি দুকুল তব শিকালি নুমণি ॥
সহ প্ৰজা যত তাৰ সভ্যতা সহিত ।
নাৰে বামে মাৰি বাট কৰিলা পতিত ॥
লোহে তব কাৰ্য্য ইটো জানিলোঁ নিশ্চিত ।
সেই বমা ৰাজ্যপাট গল অধঃপাতে ॥
কালতে সকলো হয় স্বৰ্গ-পাল-ক্ষয় ।
ঊৰ্দ্ধ অধঃ-গতি কালে কাল সৰ্ব্বময় ॥
জানি শুনি কেনে লোকে কৰে উন্তগালি ।
কালৰ কাষত হয় সবে ক্ষন্তে কালি ॥
উচ্চ আশা উচ্চ ভাব নাই আমাসৱ মাজ ।
ভয়ে ভয় দেখি বিঘ্ন পূৰ্ণ ইটোসব কাজ ॥
হওঁ নৈগয়া পদ-প্ৰাৰ্থী, নিৰ্ভৰ উপৰি পৰ ।
আত্ম-বল বলি দিওঁ শ্ৰেষ্ঠধন জীৱণৰ ॥

ইটো বলে বলী হই, অতিত আজিকালি ।
সাধিছে অসাধ্য কাজ মৰতত মহত্তালি ॥
জাতীয়-জীৱন-দীপ্তি সমাশ্ৰয়ী ইটো নৰে ।
দেখিছা যতেক জন কৰিচে কত সংসাৰে ॥
বিষময় আগবাটে হোৱে আগু যিটো জন ।
অন্তত অমৃত ভুঞ্জে দেৱৰ বাঞ্চিত ধন ॥
অৱশ্যে আছয় আগে মধুসম সিটি বাটে ।
কিন্তু শেষে হলাহল সদাচিত্ত উৎকণ্ঠিতে ॥
প্ৰভু তুষ্টি লাগি চিত্ত সতত চিন্তিত মনা ।
নাই শান্তি একোতেই সবেমাত্ৰ বিৰম্বনা ॥
হেন বৃত্তি লাগি আমি, সতত ব্যগ্ৰ হৃদয় ।
হোৱা অতি কাপুৰুষতা জানিবা নিশ্চয় ॥



সহিতে সংহতি সাধয় মহতি ।
কাৰজ জগতি অতি সুখিয়তি ॥
বাণিজ্যে বনিয়া প্ৰাতীচ্য জতীয়া ।
শতেক ভগীয়া বেহা বেপেকৰা ॥
জুৰিয়াছে দিশ দেশ বিদেশ ।
হই হৰষিশ কৰি পৰবেশ ॥

পৰ্ব্বত প্ৰান্তৰ নোহিকে আন্তৰ।
সবে একাকাৰ, কৰি কাৰবাৰ ॥
দুৰ্গম সুগম সবাৰো আগম।
গতি বিহঙ্গম, কৰি ধমধম ॥
যায় ভাপ গাড়ী কঁপি বসুন্ধৰী।
প্ৰতিশব্দে যাৰি উঠে সৰসৰি ॥
ততালিকে পাই দিনটীয়া ঠাই।
একোটী নৱৰ উকি দি জনাই ॥
থপ থপ কই আৰোহী নমাই।
মাল বোজা থই, পুনু সাজু হই
থানে থানে যায়, চাহ বাগিচায়।
পেৰাই পেৰাই নিয়াই ভৰাই ॥
নানা তৰহৰ বিভিন্ন দামৰ
বিভিন্ন নামৰ বাগিছা চাহৰ ॥
কেনে বিতোপন, অতি সুশোভণ।
চকুৰ ভূষণ সবুজ কীৰণ ॥
চাহৰ চাহনি, পুলি অগণনি।
ভৰিছে ভুবনি বাটৰ সীমনি ॥
সমষ্টি মিলিয়া শতেক ভগীয়া।
চাহনি চহীয়া ভোগে শ্বেতাঙ্গীয়া
আৰু কোনো গাড়ী, বহুতৰ ভৰি
পাতিছে লেঠাৰি গইছে চেকুৰি।
কোৰণুয়া যেন ৰেল গাড়ী খন
কৰিছে ধাবন লৈ কয়লা খন।

খান্দি খান্দি খনি পৰ্ব্বতক জিনি
কুলি কুলিয়নী কতো আগণনি।
হোৱে আগুয়নী নৰ্ডাৰ জীৱনী
যাওঁতে পৰানী বধিছে খহনী।
কলে কাৰখানা কতনো অগণা
কৰিছে থাপনা, আৰু বাবু খানা।
সবাৰো অস্তিত্ব, দেশৰো মহত্ব।
সভ্যৰো গুৰুত্ব, দেখায় একত্ব॥
ফৰাচী ইংৰাজ দেন্স ওলন্দাজ
মাৰ্কিন ৰুশজ অষ্ট্ৰীয়া-দেশজ।
জাৰ্ম্মান জাপান বুৰ অষ্ট্ৰেলিয়ান্
সবে আগুৱান, উন্নতি সোপান
হইবা প্ৰত্যয়ী দেশ-হিতাশয়ী।
একতা আশ্ৰয়ী সদব্যৱসায়ী।





পুৰণী ৰংপুৰ নগৰ।

পকা ঘৰ বাহী আছে ঠিয় হই।
হাবিৰ মাজত চোৰাঁ চোন গই॥
ৰাজধানী কালে শতাব্দী ছয়েক।
অহম বংশৰ প্রতাপী অনেক॥
ৰজাৰ বাহৰ, ছিলে যিটো থলী।
বন্যজ সেবিত আজিহে মহলা॥
সোনৰ বৰয়ে, চন্দ্ৰতাপ তলে।
শোভিছিল যত ৰাজ খাটোৱালে॥
হাড়ৰ কঙ্কালে বাদুলী ছৰায়ে।
কৰিছে নিন্দিত ত্যগা মলিময়ে॥
ভৰা যিটি ঘৰ কেবা মহলীয়া।
বোলয় কাৰেঙ্গ তলে সুৰঙ্গীয়া॥
থইছে ঠায়ে মানুহবিলাকে।
ধন পাম ভাবি মনে চিন্তি তাকে॥
লোক মুখে কৰি খবৰা-খবৰি।
অনাই বেজক বিচাৰি খোচাৰি॥
ভোগে ইন্দ্ৰ ভোগী ৰেজদেউ আহি।


যিউ মউ চেনি মাছ মাংস খাহী ॥
মাটিৰ তলৰ ধন হাবিয়াসী।
সাদৰে তোষয় ভদ্ৰলোক বাঁহী ॥
ইয়াৰ দক্ষিণে আছে বিটি দল।
তাতে পূজাসনে অতি সুবিমল ॥
হই পুত্ৰমনী অতি ভক্তি ভাবে।
ভাবিছিল ৰাজে নিজ ইষ্ট দেৱ ॥
উত্তৰা দক্ষিণা ইয়াৰ পুৰীয়া।
আছে হোলোং ঘৰ ওঠাৰ কুঠীয়া ॥
কুৰঁৰী লোকৰ বিভিন খেলৰ।
ওপৰে তামৰ আছিল বাহৰ ॥
জখলা মুখতে পূৰা পশ্চিমীয়া।
ওপৰ মহলা এৱে নাইকীয়া ॥
নামে চাংমাইশাল তলি নিফোপীয়া ॥
তাৰ উত্তৰত কাষে হোলোঙ্গৰ।
লৰা-পোৱা ঘৰ আৰু ৰোহ-ঘৰ ॥
ৰজাৰ মহলে ৰাজ কুঁৱঁৰী ॥
একে উত্তৰৰ হোলোঙ্গ মূৰত।
ৰজাৰ মৰঙ্গ নোহে অদূৰত ॥
কাৰেং পশ্চিমে পুখুৰী ৰজাৰ।
ৰহৰ ঢালনে নিৰ্ম্মল জলৰ ॥
মানৰ বিভ্ৰাটে মানে পিয়াপানী।
মিঠা পুখুৰী বুলি দিলে জাননী ॥
সিউ আছে আজি আছে যে ফুলনি ॥

আছে ভিতৰ গড় উঠিব নোৱাৰে।
আৰু মাজ গড় বন্ধোৱা পকাৰে॥
আছে ন-দুৱাৰ চোৰা গোলা ঘৰ।
ভগ্ন প্ৰায় দল বুঢ়ী গোসানীৰ॥
তিনিদ্বাৰে শোভি, আছে বহিগড়।
নৱপানী নামে প্ৰথিয়াত বৰ॥
নগৰ বাহিৰে পকা ঘৰ বাহী।
নগৰক শোভি কৰিছে কপহী॥
আজিও কপহী কপহীৰজান।
কৰিছে ধাৱন জনম ইঠান॥
ন-আলি কাষত সউ ৰংঘৰত।
উঠিছে ৰজাই দেখিছিল য'ত।
কতো ৰং ধেমালি পথাৰে ইয়াৰ।
মহ-হাতী-ঘোৰা আৰু যে শেনৰ॥
দেখিছিল যুজ সহিতে কুৱঁৰী।
লই লগে যত লিগিৰা লিগিৰী॥
দেউ ডাঙ্গৰীয়া আৰু যে বিষয়া।
কুকন বৰুৱা আদি ৰাজখোৱা॥
পাইছিল ৰং দেখি যে ধেমালি।
শিকাৰু নিপুনে শিকোৱা কৌশলী॥
সিফালে সউৱা আছে ৰঙ্গনাথ।
ৰং পাই য'ত থাকিল ভোলানাথ॥
ফাকুৱা দ'লত দেখিছে ফাকুৱা।
আগৰ দুচোখে ভাবী ভাগৰুৱা॥

আনিছিল যোনে বিশ্বনাথ হন্তে।
শিৱসিংহ দেৱ ৰজাৰ পাচন্তে॥
স্থিৰিল ডুনাই, আনিছিল যলৈ।
থাপিবৰ অৰ্থে শিৱসাগৰলৈ॥
কৰিলে স্বপন ৰজাক তেখন।
আনা মুক্তিনাথে কৰিতে থাপন॥
বিশ্বনাথ হন্তে, পঠাইয়া জন।
থাকিম ইঠানে নহবা বিমন॥
ৰাজাজ্ঞায় দল লৰালৰি কৰি।
মাসেকতে সাজে, ৰাজ-কাঢ়ি কৰী॥
বাঁও হাতে তাৰ হৰ গৌৰী দল
বনেৰে কাঠেৰে ছটা যাৰ ছাল॥
সিফালে সেইয়া, নাৱে বৈদ্যনাথ।
জয় সাগৰ দল দেখা তুলি মাথ॥
ভোগ ঘৰ বাঁহী মাজে সুসজ্জিত।
আছে প্ৰতিমাযে, শিলত কল্পিত॥
শিলা কুটীয়াই, অতি সযতনে।
প্ৰকাশে আছিল সিদ্ধহস্ত কেনে॥
সুঠাম সুন্দৰ কতনো মূৰতি।
দেৱতা মানুহ-শৃগাল-চ্কতি॥
গছ-লতা আদি দেখি দলগাৱে।
"কেনে বিহকৰম" প্ৰশংসে সবাৱে॥
নোহে একোতেই হীন কোনোপিনে।
বিংশ শতিকাৰ কাঢ়িকৰী গুনে॥


থাৰ ঘৰ দেৱী দল আৰু ন'গাঁসবা।
আছে ভাগে ভাগে দেখিবা দেখৈয়া ॥
আহিব মনত দেখি তত্তানিকে।
ক'ত গ'ল ৰজা নাই ইহলোকে ॥
কিনো কথা হায় নবল গজালি।
কৰলই হেৰা ৰজাৰ পোৱালি ॥
পাছিলে বিষয়া কতনো অলেখী।
মাটি বৃত্তি দিয়া যাৰ যেনে জোখা॥
নাতি পুতি দেখা আজি সিবোৰৰ।
আধকাৰ নাই মাটি এডোখৰ ॥
কটাইছে কাল ইপিনে দুখত।
দুবলা দুমুঠি নিমিলে দিনত ॥
ভাবা কিবা মুল ইটো যে দুখৰ।
কথানেহে দোষ নিজ কৰমৰ ॥






কলিয়া ভোমোৰা।


চিকুণ কলীয়া হেৰা কৰি গুণ গুণ।
ফুলনি সোমাই বাক, চুহি মউফেৰি ॥
ৰাতি পুৱা-ছেগা কিয় কৰিছা গমন।
এটি ফুল এৰি গই সিটি ফুলে পৰি ॥
ফুলৰ পৰাগে অঙ্গ কৰি সুশোভিত।
সুবাচে পুৰিত দেহা তাতে ৰূপে চাৰু ॥
আলিঙ্গা যতই ফুল আছে সিজুপিত।
মানাহা নকৰে কেৱে যেনে স্বামীগুৰু ॥
ঈশ্বৰৰ অভিপ্রেত আছে কোনো কাজ।
ইটো অর্থে গতি তৰ অবাধ ফুলত ॥
সাধা সম্বর্দ্ধন কাজ যেনে জীৱ মাজ।
একোটী নিয়মে বন্ধা এটাইকে জাতি ॥
পার্থক্য মাথোন দেখা উদ্ভিদ কুলত।
মিহলায় স্ত্রী-পুং-ৰজঃ ভোমোৰা মৌগুটি ॥





চন্দ্ৰ।

দ্বিভূজযুক্ত চন্দ্ৰদেৱ বৰ্ণিত পুৰাণে।
হ্ৰস্ব প্ৰতিপদ ধাৰ তিথি ক্ৰমে ক্ৰমে।
ক্ষয়ি কলেৱৰ নিজ কলা বিতৰণে।
দেৱ অৰ্থে দেৱ ভক্ষ্য সুধামৃত সোমে॥
দান ধৰ্ম্ম ফলে পুনু হোৱে পূৰ্ণ কালে।
অমাত ক্ষয়িত অঙ্গ পূৰ্ণ পূৰ্ণিমাত।
লভয় ক্ষিয়তি যেনে ধীৰে ধীৰে বলে।
সাধু স্বাৰ্থ বলিদানে জীৱন দশাত॥
নোহে বদ্ধ কৃপা তৱ দেৱলোক মাজে।
শীতল কীৰণামৃতে উঠে দোপে দোপে।
ওষধি গুল্মজ জাতি যতেক মৰ্ত্ত্যজ।
পালিছা ইদৰে দেৱ প্ৰজা যেন ভূপে॥
আহাৰ সংগ্ৰহি যেনে পিতা পুত্ৰ পাগে।
তুমিও জোগোৱা নৰে, শস্য উৎপাদনে।
ইতৌ অৰ্থে ধৰ্ম্ম শাস্ত্ৰে পিতৃলোক বোলে।
সতত মঙ্গল-দাতা যত প্ৰজাগণে॥




উষা ।

মাৰিছে ভুমুকি আহি, উষা উদয়ত ।
তামসী দানৱী অতি ভয়ে ভীতমনা
শশব্যস্তে পলায়য় হইয়া বিতত
লই লগে লগৰীয়া চোৰ শিঙ্কিগনা ॥
গভাইত ডকাইত লোক কুৰীতিয়া ।
পাপ-সমাশ্রয়ী হোৱে যতই সংসাৰী ।
টানি ধৰে চুলি ভাবি উষা আপদীয়া ।
প্রকাশিব যত মোৰ হোৱে কেনেক্কাৰী
মেচমেচীয়া চুলিতাৰি নি অতৰাই
নেৰাথি ধনিষ্ঠাও চিন পলাই পতং
লগৰীয়া অন্তৰ্ধ্যানে দেখি তেতিয়াই
কাল কেয়গণ যেনে নষ্ট বৃত্র সঙ্গ
হোৱামাত্র বাহিৰ তিমিৰ নাশ
হৃদি অন্ধ কৰে এবে হোৱা দুৰীভূত
জ্ঞানৰ পোহৰে জীৱ সবে সচেতন
লভয় জনম্ যেনে মৰিছে ৰাতিত।

জ্ঞানদাত্রী উষাদেবী শোনিত নগৰ
কেনে প্ৰকাশিছে টিপে তেজে সাধুতাৰ
কম্বু জুম্বু সুপুৰৰ সুৰনাধ্বনিৰে
মোহিছে সবাও আহি আগে অৰুণৰ ॥

———



আছে মন দিবলই ভক্তিভাবে নমি,
এধাৰি চিকুণ মালা গাথি সযতনে,
কিন্তু ক'ত মোৰ হায়, মনীষা সুকামী,
যেনে গাথে ফুল-মালা কুল বিতোপনে।
অন্তিম কণ্ঠত মই মাতৃ-মুখ চাই,
দিয় বা নিদিয়ে বঙ্গ আইৰ মনত,
ইতো যে দুৰাশা মোৰ নাই শক্তি নাই,
জানো মই অতিকষ্ট দুখীয়া ভাৰত।
ভাবে কাজ সুমহত, সাধয় ভাবুক,
গ থো মালা মনোহৰ ভাব চকুহীন,

গাথিম কি দ'ব, তোমা চানেকী ধৰোক,
সংস্থাপি চিকুণ ফুল কৰি সম্মিলন ।
ফুল-চাকী-মালা-মাজে ৰূপহী বান্ধান,
লোকৰ গাথনি দেখি হই বিমোহিত,
মন যায় গাথো মই ফুলৰ চিকণে
ভাগি যায় ফুল-পাহী কিয় মোৰ হাত ।
আছয় নথই ফুল ফুলৰ কুকিত,
হাতত পৰেহি আহি বাচে তে বিচাৰি,
কাঠৰ কঠুৱা মল কঠুৱা হাতত
নাপাওঁ সঘনে ফুল কোমলা সাদৰা ।
ঘ্ৰাণ-দৃষ্টি-শক্তি মোৰ নোহে তীক্ষ্ণ অতি,
হ কাৰণে ইটো প্ৰাণী তকিব নোৱাৰে,
কত বোনে বৰি বাঁথি সি বৰ যুকুতি,
বেটু ভেদি ফুল বাটী সোনালী জৰিবে ।
হাত বেজি ভোটা মোৰ সুতাই ঢোঁহোৱা,
কৰি দিছে মালাধাৰি ফোঁহোৱা ফুঁহৰি,
সিটো অপে ইধাৰি যদিও নুযুৱাই,
উৎসৰ্গি তোমাক অপোঁ দণ্ডৱতে পৰি ।
আশংসো মনত ইটো লোক সমাজত,
ক্ষৰপথ যিটো হাতে লোৱা আই বুলি,
সন্তান-অৰ্পণ দত্ত দ্ৰব্য শ্ৰদ্ধাযুত,
যদিও নিকৃষ্ট অতি লোৱে হতে তুলি ।

অন্ত ।

ASSAM BENGAL ST RES.

2 Lallbazar Street Calcutta

Printed by

Vazirruddin Ahmed.

At the Moslem Printing Works

155 [illegible] Street Calcutta